।। জয় গুৰু শঙ্কৰ।।

# শঙ্কৰদেৱৰ সাহিত্য অধ্যয়ন আৰু অনুসন্ধান


মুখ্য সম্পাদক

ড° মানস প্ৰতীম বৰা

সম্পাদক

ড° ভুৱনেশ্বৰ ডেকা

প্ৰিয়ংকা ভাগৱতী

।। জয় গুৰু শঙ্কৰ ।।

# শঙ্কৰদেৱৰ সাহিত্য অধ্যয়ন আৰু অনুসন্ধান

মুখ্য সম্পাদক

ড° মানস প্ৰতীম বৰা

সম্পাদক

ড° ভুৱনেশ্বৰ ডেকা

প্ৰিয়ংকা ভাগৱতী

SANKARDEVAR SAHITYA : ADHYAYAN ARU ANUUSANDHAN, a collection of articles edited by Dr. Manash Pratim Borah as chief editor, Dr. Bhubaneswar Deka and Priyanka Bhagawati as editors and published by Babul Bora, Chief Secretary, Srimanta Sankaradeva Sangha.

ISBN : 978-93-93505-37-8

1st Edition : February, 2022 Price Rs. 220 only

প্ৰকাশক ঃ শ্ৰীযুত বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

প্ৰথম প্ৰকাশ ঃ ৫৭৩ শঙ্কৰাব্দ/২০২২ খ্ৰীষ্টাব্দ
গ্ৰন্থস্বত্ব ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

সাহিত্য শাখা সমিতি
সভাপতি ঃ মৃণাল কুমাৰ বৰুৱা
সম্পাদক ঃ ড° মানস প্ৰতীম বৰা

সম্পাদনা সমিতি
মূখ্য সম্পাদক ঃ ড° মানস প্ৰতীম বৰা

সম্পাদক ঃ ড° ভুবনেশ্বৰ ডেকা
প্ৰিয়ংকা ভাগৱতী

মূল্য ঃ ২২০ টকা

মুদ্ৰণ আৰু প্ৰকাশ ঃ অজন্তা প্ৰেছ, নগাঁও

# সূচীপত্ৰ—

১. অধ্যাপক ভৱপ্ৰসাদ চলিহা / **শঙ্কৰদেৱৰ 'কেলি-গোপাল' নাটত গোপী-কৃষ্ণ সংবাদ** /১১

২. ড°আনন্দ বৰমুদৈ / **শঙ্কৰদেৱ আৰু আধুনিক অসমীয়া সাহিত্য** /১৯

৩. মৃণাল কুমাৰ বৰুৱা / **শঙ্কৰদেৱৰ সাহিত্যত লোকজীৱনৰ প্ৰসংগ** /৩১

৪. লীলাৱতী শইকীয়া বৰা / **অঙ্কীয়া নাটৰ জনক শঙ্কৰদেৱ আৰু শ্ৰীৰামবিজয় নাট** /৩৭

৫. শোভন চন্দ্ৰ শইকীয়া / **শঙ্কৰদেৱৰ সাহিত্যত ছন্দ আৰু অলঙ্কাৰ** /৪৯

৬. মুনীন্দ্ৰ মহন্ত / **গুণমালাৰ তত্ত্বদৰ্শন আৰু সাহিত্যিক সৌন্দৰ্য্য** /৬৮

৭. ড° মাধুৰ্য্য মণ্ডিত বৰুৱা/**অঙ্কীয়া নাটত ভক্তিৰসৰ মহত্ত্ব** /৭৮

৮. ড° ৰুবী মহন্ত / **শঙ্কৰদেৱৰ সাহিত্যৰ নান্দনিক মূল্যায়ন** /৯৭

৯. ড° দ্বিজেন্দ্ৰ নাথ ভকত / **কীৰ্ত্তন-ঘোষা সংগ্ৰহ, সম্পাদনা আৰু বিষয় বিন্যাস বা অধ্যায়সমূহৰ তাৎপৰ্য বিচাৰ** /১১০

১০. ড° উপেন্দ্ৰজিৎ শৰ্মা / **অঙ্কীয়া নাট ভাওনা আৰু অসমীয়া লোকনাট্য ঃ এক তুলনামূলক বিচাৰ** /১১৯

১১. ড° প্ৰসন্ন কুমাৰ নাথ / **জীৱনী আৰু জীৱনীভিত্তিক উপন্যাস 'যাকেৰি নাহিকে উপাম'**/১২৭

১২. ড° বিন্দু ভূষণ বৰা / **ভাৰতত গীত-নৃত্য-নাটৰ ঐতিহ্য আৰু শঙ্কৰদেৱৰ ভটিমা ঃ এক বিহংগম দৃষ্টি** /১৩৫

১৩. ড° দুলুমণি ডেকা / **শঙ্কৰদেৱৰ নাটকত হাস্য ৰস** /১৪৬

১৪. ড° অখিল কুমাৰ গগৈ / **শঙ্কৰদেৱৰ সাহিত্যত পৰিস্থিতি বিজ্ঞান আৰু প্ৰকৃতি চেতনা** /১৫৫

১৫. ড° জ্যোৎস্না দেৱী / **শঙ্কৰদেৱৰ বৰগীতৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ**/১৬৮

১৬. ড° ভুবনেশ্বৰ ডেকা / **কীৰ্ত্তন পুথিৰ সৌন্দৰ্যৰ পটভূমি বিচাৰ** /১৭৮

১৭. মালামণি গোস্বামী / **শঙ্কৰদেৱৰ নাটত ৰস প্ৰয়োগ** /১৮৭

১৮. গীতাৰ্থ প্ৰতিম শইকীয়া / **ৰুক্মিণী হৰণ কাব্য ঃ এক সামগ্ৰিক আলোচনা**/২০১

১৯. পাপৰি দত্ত বৰা / **মহাপুৰুষীয়া ধৰ্মৰ চাৰিপুথি ঃ এক চমু আলোচনা**/২১৪

# শঙ্কৰদেৱৰ নাটত ৰস প্ৰয়োগ

মালামণি গোস্বামী

অৱতৰণিকা ঃ

ৰস সাহিত্যৰ প্ৰাণবস্তু। ৰস সৃষ্টিৰ দ্বাৰা পাঠকৰ মন আনন্দাপ্লুত কৰি তুলিব পৰাতেই সাহিত্যৰ সাৰ্থকতা নিৰ্ভৰ কৰে । ভাৰতীয় সাহিত্যত ৰসৰ স্থান অতি উচ্চ। নাট্যশাস্ত্ৰৰ প্ৰণেতা ভৰতমুনিৰ মতে— *ন ৰসাদৃতে কশ্চিদৰ্থ প্ৰৱৰ্ত্ততে। ৰস সৃষ্টি কৰিব নোৱাৰিলে বা ৰসৰ উৎপত্তি নহ'লে নাটকৰ কোনো অৰ্থ নাই। তেওঁৰ মতে, নাটক হ'ল জীৱনৰ অনুকৰণ (লোকানুকৃতি); ইয়াৰ মাজেদি বিভিন্ন মানৱীয় ভাব-অনুভূতিক সুন্দৰভাৱে ৰূপায়ণ কৰা হয়(ভাবানুকীৰ্ত্তনম) যাতে শ্ৰোতা-দৰ্শকে নাটকত প্ৰদৰ্শিত সুখ-দুখৰ ৰসোপলব্ধি কৰিব পাৰে*[1] । নাট্যৰস কিদৰে সৃষ্টি হয় তাৰ সূত্ৰও তেওঁ এনেদৰে আগবঢ়াইছে— *নহি ৰসাদৃতে কশ্চিত, অৰ্থঃ প্ৰবৰ্তত। তত্ৰ বিভাৱাণুভৱ ব্যভিচাৰী সংযোগাদ ৰসনিষ্পত্তিঃ।। অৰ্থাৎ ৰসভিন্ন কোনো বিষয়েই প্ৰৱৰ্তিত নহয়। তাত বিভাব, অনুভাব আৰু সঞ্চাৰীভাবৰ সংযোগত ৰস নিষ্পত্তি হয়*[2]। আলঙ্কাৰিক বিশ্বনাথৰ মতে— *ৰসাত্মক বাক্যই কাব্য*[3] । ভাৰতীয় আলঙ্কাৰিকসকলে ৰসক কাব্যৰ আত্মা বুলি স্বীকৃতি দিছে।